AMAR CHITRA KATHA
TINKLE

# সমৃদ্ধিৰ বাগিচা

CDSL
INVESTOR PROTECTION FUND TRUST




এতিয়া আমি এই গছপুলিবোৰ ৰোপণ কৰোঁনে?
নিশ্চয়। মই আৰু কেইটামান পাত্ৰ লৈ আনোঁ।
কিয়? আমি এই পাত্ৰতে গোটেইকেইটা পুলি ৰুব পাৰোঁ। ইয়াত যথেষ্ট ঠাই আছে।
কিন্তু একেটা পাত্ৰতে ৰুলে গছপুলিৰ বৃদ্ধি সঠিকভাৱে নহ'ব। প্ৰত্যেকৰে প্ৰয়োজন বেলেগ।
লগতে, এটা পুলি পচি গ'লে আনকেইটাও নষ্ট হ'ব। আমি পুলিবোৰ পৃথকে পৃথকে ৰুব লাগিব।
সঁচা কথা কৈছা! এই গছপুলিবোৰ তোমালোকৰ জীৱনৰ লক্ষ্যসমূহৰ দৰে। প্ৰতিটো লক্ষ্যৰ বাবে এক নিৰ্দিষ্ট সময়সীমা আৰু বিত্তীয় আঁচনিৰ প্ৰয়োজন। ঠিক একেদৰে ভিন্ন গছপুলিৰ বাবে ভিন্ন পাত্ৰৰ প্ৰয়োজন হয়।
কেঁচুৱাৰ জন্ম
গৃহ
ভ্ৰমণ
শিক্ষা
ভৱিষ্যত
ভিন্ন লক্ষ্য মানেই ভিন্ন আঁচনি!
কিন্তু কোনটো আঁচনি বাছি ল'ব লাগে আমি কেনেকৈ জানিম?
এই গছপুলিবোৰৰ কিছুমানত ফুল ধৰিবলৈ নিয়মিতভাৱে পানী আৰু সূৰ্যৰ পোহৰৰ প্ৰয়োজন হয়, আনহাতে কিছুমান পুলিৰ বাবে পানী কম লাগে। কিছুমান সোনকালে বৃদ্ধি হয়, আনহাতে কিছুমানত ফল ধৰিবলৈ বহু বছৰ লাগিব পাৰে।


একেদৰে কিছুমান আঁচনিয়ে কম সময়ৰ ভিতৰতে নিৰ্দিষ্ট ৰিটাৰ্ণ প্ৰদান কৰে। এনে আঁচনি তোমালোকৰ তাৎক্ষণিক লক্ষ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
আনহাতে আন কিছুমান আঁচনিত অধিক সময়ৰ বাবে নিয়মীয়াকৈ ধন জমা কৰিব লাগে যদিও সেইসমূহে এককালীন লাভ দিব পাৰে।
যেনেকৈ এটা আমৰ পুলি বৃদ্ধি হৈ এক বৃক্ষত পৰিণত হোৱাৰ পিছত অগণন ফল দিয়ে!
আমি কেৱল সেই পুলিটোৰ যত্ন ল'ব লাগিব যাতে ভৱিষ্যতে লাভ অৰ্জন কৰিব পাৰি।
কিন্তু সকলো সময়তে এটা 'আকস্মিকতা পাত্ৰ' সাজু কৰি ৰাখিব লাগিব যাতে তোমাৰ 'পুলি'বোৰে অভাৱনীয় ক্ষতিৰ সন্মুখীন নহয়।
আহ! জৰুৰীকালীন অৱস্থাৰ বাবে থোৱা বেকআপ ফাণ্ডৰ দৰে।
গতিকে, তোমালোকৰ 'সপোন'বোৰ যত্নৰে ৰোপণ কৰা।
আৰু নিয়মিতভাৱে, ধৈৰ্য্য সহকাৰে সেইবোৰৰ যত্ন লোৱা।
অতি সোনকালেই আমাৰ 'বিনিয়োগ বাগিচা' ফুলেৰে ভৰি পৰিব!
তেতিয়া আমি সকলোৰে আমাৰ 'সমৃদ্ধিৰ বাগিচা'ত ফুৰিব পাৰিম!

# অনুশীলন

আয়ান আৰু মেহেৰ চিন্তিত হৈ আছে। উপহাৰ হিচাপে লাভ কৰা ধন বিনিয়োগ কৰিবলৈ তেওঁলোকৰ হাতত তিনিটা বিকল্প আছে, কিন্তু মাত্ৰ এটা বিকল্পেহে তেওঁলোকৰ ধন বৃদ্ধি কৰাত সহায় কৰিব পাৰে।



**বিকল্প ১:** পৰীক্ষা নকৰা অনলাইন বা ছ'চিয়েল মিডিয়াৰ টিপছৰ ওপৰত ভিত্তি কৰি বিনিয়োগ কৰা



**বিকল্প ২:** বিনিয়োগৰ বিষয়ে নূন্যতম জ্ঞান থকা আত্মীয়ক টকাখিনি দিয়া

**বিকল্প ৩:** SEBI পঞ্জীয়নভুক্ত বিনিয়োগ পৰামৰ্শদাতাৰ সহায়ত বিনিয়োগ কৰা

বীৰবলে আয়ান আৰু মেহেৰক তেওঁলোকৰ বিত্তীয় পৰিকল্পনা আৰু বিনিয়োগত সহায় কৰিবলৈ পদক্ষেপসমূহ বুজাই দিছে। অৰশ্যে আয়ান আৰু মেহেৰে মনৰ ফূৰ্তিত সেই পদক্ষেপসমূহৰ ক্ৰম খেলিমেলি কৰি পেলালে। সেইসমূহ সঠিক ক্ৰমত ৰাখিবলৈ তেওঁলোকক সহায় কৰক।

☐ ক. নিৰ্বাচিত আঁচনিত ধন বিনিয়োগ কৰা

☐ খ. আপোনাৰ ৰিস্ক ল'ব পৰা ক্ষমতা মূল্যায়ন কৰা

☐ গ. বিনিয়োগৰ লক্ষ্য চিনাক্ত কৰা

☐ ঘ. বিনিয়োগ পৰিকল্পনা আৰু পদ্ধতিৰ বিষয়ে তথ্য সংগ্ৰহ কৰা

☐ ঙ. আপোনাৰ হ্ৰস্বম্যাদী বা দীৰ্ঘম্যাদী বিনিয়োগৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰা



**উত্তৰ:** ১) বিকল্প ৩: বিনিয়োগ পৰামৰ্শদাতাৰ সহায়ত বিনিয়োগ কৰক।
২) সঠিক ক্ৰম হ'ল: গ, খ, ঙ, ঘ, ক।